**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-11-2025 TIME-1340 HRS.

***Assamese Midday Bulletin***
***HEADLINES***

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ছত্তিশগড়ত অনুষ্ঠিত আৰক্ষী সঞ্চালক প্ৰধান আৰু আৰক্ষী মহাপৰিদৰ্শকসকলৰ ৬০ সংখ্যক সৰ্বভাৰতীয় সন্মিলনত অধ্যক্ষতা কৰে। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে নৱা ৰাইপুৰত অনুষ্ঠিত তিনিদিনীয়া সন্মিলন মুকলি কৰে। এই উপলক্ষে শ্ৰী শ্বাহে কয়, যে এই সন্মিলনক অভ্যন্তৰীণ সুৰক্ষাৰ সমাধানৰ পৰ্টেল হিচাপে গঢ় দিয়া হৈছে। এই সন্মিলনে কৌশলগত আৰু নীতি প্ৰস্তুতকৰণৰ বাবে আদৰ্শগত ভেটি গঢ়ি তুলিছে বুলি শ্ৰী শ্বাহে মন্তব্য কৰে। কেন্দ্ৰীয় গৃহ মন্ত্ৰীগৰাকীয়ে কয, যে দেশে বিগত ১১ বছৰত মৌলবাদ, উগ্ৰবাদ, সন্ত্ৰাসবাদ আৰু মাদকদ্ৰব্য বিৰোধী অভিযানত চকুতলগা ধৰণৰ অগ্ৰগতি লাভ কৰিছে। নতুন যুগৰ প্ৰত্যাহ্বানৰ পৰা দেশক সুৰক্ষিত কৰাৰ বাবে সঠিক চোৰাংচোৰা তথ্য, লক্ষ্যৰ স্পষ্টতা আৰু কাৰ্যৰ ক্ষেত্ৰত সমন্বয় জৰুৰী বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰীশ্বাহে কয়, যে সন্মিলনত হোৱা আলোচনাই বিকশিত ভাৰত গঢ়াৰ লক্ষ্য অনুযায়ীশান্তি-শৃংখলা ৰক্ষাৰ বাবে বিশদ পৰিকল্পনা যুগোতাই উলিউৱাত সহায় কৰিব। সন্মিলনত গৃহমন্ত্ৰীগৰাকীয়ে বিশিষ্ট আৰক্ষী সেৱা পদক প্ৰদান কৰে আৰু তিনিখন শ্ৰেষ্ঠ থানাক ট্ৰফী প্ৰদান কৰে। সন্মিলনত ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভাল, কেন্দ্ৰীয় গৃহ ৰাজ্য মন্ত্ৰী নিত্যানন্দ ৰায়, বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ আৰক্ষী সঞ্চালক প্ৰধান আৰু কেন্দ্ৰীয় আৰক্ষী সংস্থাসমূহৰ মূৰববীসকলে অংশগ্ৰহণ কৰিছে।

ooooo

চৰকাৰে সোমবাৰে আৰম্ভ হ'বলগীয়া সংসদৰ শীতকালীন অধিবেশনৰ পূৰ্বে কাইলৈ এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। বৈঠকত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে সংসদৰ উভয় সদনত ৰাজনৈতিক দলসমূহৰ নেতাসকলক সাক্ষাৎ কৰিব। বৈঠকত চৰকাৰে শীতকালীন অধিবেশনৰ সময়ছোৱাত লোকসভা আৰু ৰাজ্যসভাৰ কাম-কাজ সুচাৰুৰূপে সম্পন্ন হোৱাতো সুনিশ্চিত কৰাৰ বাবে সকলো ৰাজনৈতিক দলৰ সহায় সহযোগিতা বিচাৰিব। ১৯ ডিচেম্বৰ পৰ্যন্ত চলিবলগীয়া এই অধিবেশনৰ সময়ছোৱাত আলোচনা আৰু বিবেচনাৰ বাবে কেইবাখনো গুৰুত্বপূৰ্ণ বিধেয়ক সদনত উত্থাপন কৰা হ'ব।

ooooo

উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ কাইলৈ কুৰুক্ষেত্ৰলৈ যাব। এই ভ্ৰমণকালত শ্ৰী ৰাধাকৃষ্ণণে কুৰুক্ষেত্ৰৰ ৰাষ্ট্ৰীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ কুৰি সংখ্যক সমাবৰ্তন সমাৰোহত মুখ্য অতিথি হিচাপে ভাগ ল'ব। তেওঁ লগতে আন্তঃৰাষ্ট্ৰীয় গীতা মহোৎসৱৰ সৈতে সংগতি ৰাখি আয়োজন কৰা অখিল ভাৰতীয় দেৱস্থানম সন্মিলনত অংশ গ্ৰহণ কৰিব। oooo

ডিট্ৱা নামৰ ঘূৰ্ণী বতাহৰ প্ৰভাৱত হোৱা নেৰা-নেপেৰা বৰষুণৰ বাবে শ্ৰীলংকাৰ ভালেমান অংশত ব্যাপক ধন-জন হানি হৈছে। ধুমুহাজাকৰ ফলত ১২৩ জন লোকে প্ৰাণ হেৰুৱাইছে আৰু ১৩০ জন লোক সন্ধানহীন হৈ আছে। বতাহজাকৰ ফলত ৩ লাখ ৭০ হাজাৰৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। শ্ৰীলংকাত কেইবাদিনো ধৰি হোৱা নেৰা-নেপেৰা বৰষুণ হ্ৰাস পাইছে আৰু বতাহজাক সম্প্ৰতি তামিলনাডুৰ উপকূলভাগৰ দিশে অগ্ৰসৰ হৈছে। ঘূৰ্ণী বতাহজাক কাৰাইকলৰ পৰা প্ৰায় ২২০ কিলোমিটাৰ দক্ষিণ-পূব আৰু পুডুচেৰীৰ পৰা ৩৮০ কিলোমিটাৰ নিলগত কেন্দ্ৰীভূত হৈ আছে আৰু প্ৰতি ঘণ্টাত ৭ কিলোমিটাৰ বেগেৰে উত্তৰ পশ্চিম দিশে অগ্ৰসৰ হৈছে। বতৰ বিজ্ঞান বিভাগৰ আগলি বতৰা অনুসৰি বতাহজাক কাইলৈ নিচেই পুৱা উত্তৰ তামিলনাডুৰ সমীপৰ বংগোপসাগৰৰ জলভাগ আৰু অন্ধ্ৰপ্ৰদেশৰ উপকূলভাগৰ দিশে অগ্ৰসৰ হোৱাৰ সম্ভাৱনা আছে।

০০০০

শ্ৰী লংকাত ডিটৱা ঘূৰ্ণিবতাহে ক্ষতি কৰা লোকসকলৰ বাবে ভাৰতৰ পৰা ২৭ টন সাহাৰ্য্য সামগ্ৰী প্ৰেৰণ কৰা হৈছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ. জয়শংকৰে প্ৰকাশ

কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰিছে যে আকাশমাৰ্গ আৰু সামুদ্ৰিক পথেৰে এই সামগ্ৰীসমূহ কলম্বোলৈ প্ৰেৰণ কৰা হৈছে। ইয়াৰ লগতে উদ্ধাৰকাৰ্যত সহায়ৰ বাবেও এন.ডি.আৰ.এফৰ ৮০ জন জোৱানক শ্ৰীলংকালৈ পঠিওৱা হৈছে।

উল্লেখযোগ্য যে ডিটৱা ঘূৰ্ণিবতাহত প্ৰভাৱিত লোকসকলৰ সাহায্যৰ বাবে আৰু উদ্ধাৰ অভিযান শক্তিশালী কৰাৰ উদ্দেশ্যে ভাৰত চৰকাৰে অপাৰেচ'ন সাগৰ বন্ধু অভিযানৰ আৰম্ভ কৰিছে। এই অভিযানৰ অধীনতে কালি নিশা বায়ুসেনাৰ হিন্দন বিমান ঘাটিৰ পৰা এখন C-130 আৰু এখন IL-76 বিমান শ্ৰীলংকালৈ উৰা মাৰিছে বুলি বায়ু সেনা বাহিনীয়ে উল্লেখ কৰিছে।

অসমত ২০১৯ চনৰ পৰা বৰ্তমানলৈকে ৪৩০ জন চৰকাৰী বিষয়া কৰ্মচাৰীক দুৰ্নীতি নিবাৰণ আইনৰ অধীনত গ্ৰেপ্তাৰ কৰিছে। ইয়াৰে ভিতৰত অসম আৰক্ষীৰ দূৰ্নীতি নিবাৰক আৰু তদাৰক শাখাই ৩০২ জনক মুখ্যমন্ত্ৰীৰ বিশেষ নিৰীক্ষণ শাখাই ৮৮ জন আৰু আৰক্ষীয়ে ৪০ জন বিষয়া কৰ্মচাৰীক গ্ৰেপ্তাৰ কৰিছে।

অসম বিধানসভাৰ শীতকালীন অধিবেশনৰ আজি অন্তিম দিনা বিধায়ক জাকিৰ হুছেইন সিকদাৰৰ এটা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা সদৰি কৰে। ০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ  মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২৮ সংখ্যক খণ্ড। এই

অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেবছাইট airnews আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২৮ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেবছাইট airnews আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

অসামৰিক বিমান পৰিবহণ সঞ্চালকালয়ে বিমানসেৱাৰ বাধ্যতামূলক সুৰক্ষাৰ দিশৰ পৰা প্ৰয়োজনীয় সাল-সলনি সম্পূৰ্ণ নোহোৱা পৰ্যন্ত এয়াৰবাছ A320 শ্ৰেণীৰ বিমানসমূহৰ সেৱা তাৎক্ষণিকভাৱে বন্ধ কৰাৰ নিৰ্দেশ দিছে। এই নিৰ্দেশনাৰ অধীনত এয়াৰবাছ A318, A319, A320 আৰু A321 বাহিনীক সামৰি লোৱা হৈছে আৰু নিৰ্ধাৰিত পৰীক্ষা আৰু সংশোধন সম্পূৰ্ণ নোহোৱালৈকে উৰনত বাধা দিয়া হৈছে।

উল্লেখযোগ্য যে এয়াৰবাছে বিশ্বযুৰি ইয়াৰ A320 শ্ৰেণীৰ সহস্ৰাধিক বিমান ততালিকে মেৰামতি কৰাৰ নিৰ্দেশ

দিছে। ইয়াৰ ফলত বিশ্বজুৰি প্ৰায় ছয় হাজাৰ বিমান প্ৰভাৱিত হ’ব বুলি অনুমান কৰা হৈছে। A320 বিমানৰ সৈতে সংঘটিত এটা ঘটনাৰ পিছত সৌৰ বিকিৰণে বিমানৰ নিয়ন্ত্ৰণক প্ৰভাৱিত কৰাৰ আশংকা কৰি এয়াৰবাছে এই নিৰ্দেশনা জাৰি কৰিছে।

000000

ইণ্ডোনেছিয়াৰ আচে, উত্তৰ সুমাত্ৰা আৰু পশ্চিম সুমাত্ৰাত চুনামি, ভূমিকম্প, বানৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ২৪৮ লৈ বৃদ্ধি পাইছে আৰু ১০০ৰো অধিক লোকসন্ধানহীন হৈ আছে। উদ্ধাৰকাৰী দলসমূহ প্ৰভাৱিত এলেকালৈ যোৱাত অসুবিধাৰ সন্মুখীন হৈছে আৰু কৰ্তৃপক্ষসমূহে মৃতকৰ সংখ্যা বৃদ্ধি পাব বুলি আশংকা প্ৰকাশ কৰিছে। বাট-পথৰ ক্ষতি সাধন হোৱাৰ লগতে যোগাযোগ ব্যৱস্থা ব্যাহত হোৱাৰ ফলত প্ৰভাৱিত এলেকাসমূহ বাকী অংশৰ সৈতে বিচ্ছিন্ন হৈ পৰিছে। বিমানেৰে বেয়াকৈ ক্ষতিগ্ৰস্ত উত্তৰ সুমাত্ৰা প্ৰদেশত মধ্য তপানুলি দিলাত সাহাৰ্য সামগ্ৰী যোগান ধৰা হৈছে। প্ৰাকৃতিক বিপৰ্যয়ৰ ফলত দলং নষ্ট হোৱাৰ উপৰি গধুৰ আহিলা-পাতিৰ অভাৱত উদ্ধাৰ অভিযানত বাধা জন্মিছে। দেশখনৰ ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা সংস্থাই প্ৰকাশ কৰা মতে যোৱা সপ্তাহৰ পৰা হৈ থকা প্ৰৱল বৰষুণৰ ফলত উত্তৰ সুমাত্ৰা প্ৰদেশৰ মাজেৰে বৈ যোৱা কেইবাখনো নদীৰ পানী পাৰ ভাঙি ওলাই গৈছে। বাঢ়নী পানীয়ে হাজাৰ হাজাৰ বাসগৃহ বুৰাই পেলাইছে। যোৱা বৃহস্পতিবাৰে ৰিখটাৰ স্কেলত ৬ দশমিক ৩ প্ৰাবল্যৰ এটা ভূমিকম্পই সমগ্ৰ **আচে** প্ৰদেশ জোকাৰি যায়। ০০০০০

ভাৰতৰ তনৱী শৰ্মা, উন্নতি হুডা আৰু কিডাম্বী শ্ৰীকান্তে লক্ষ্ণৌত অনুষ্ঠিত চৈয়দ মোদী আন্তঃৰাষ্ট্ৰীয় বেডমিণ্টন প্ৰতিযোগিতাত ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে। মহিলাৰ

ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত ১৬ বছৰীয়া তনৱী শৰ্মাই হংকঙৰ চিন য়ান হেপি ল'ক ২১-১৩, ২১-১৯ গেমত পৰাস্ত কৰে। ছেমি ফাইনেলত ফাইনেলত তেওঁ জাপানৰ হিনা একেচিৰ সন্মুখীন হব। একেদৰে উন্নতি হুডাই ভাৰতৰে আন এগৰাকী খেলুৱৈ ৰক্ষিতা ৰামৰাজক ২১-১৫, ১৩-২১, ২১-১৬ গেমত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰে। খেলুৱৈগৰাকী ছেমিফাইনেলত তুৰস্কৰ নেছলিহান আমিৰ সন্মুখীন হব। পুৰুষৰ ছিংগলছত কিডাম্বী শ্ৰীকান্তে প্ৰিয়াংশু ৰাজাৱাটক ২১-১৪, ১১-৪ পইণ্টত পৰাজিত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰে। ভাৰতীয় মিক্সড ডাবলছৰ নতুন যুটি তৃষা জলী আৰু হৰিহৰণ আমছাকৰুণনেও ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে। তেওঁলোকে অষ্ট্ৰেলিয়াৰ আন্দিকা ৰামাডিয়ানছিয়া আৰু নোজোমি শ্বিমিজুৰ যুটিক ২১-১৮, ২১-১৪ গেমত পৰাজিত কৰি প্ৰথমবাৰৰ বাবে প্ৰতিয়োগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। 0000